
## পাঠ ১০

G9S6I8

**যোগ-বিয়োগৰ সমস্যা**

### কোনে কিমান তামোল গোটালে চাওঁ আহা-

মণি, চামিমা আৰু বলেনে ৪ দিন সিহঁতৰ বাৰীত তামোল গছৰ তলত পৰি থকা তামোল বুটলিছিল।



তালিকা

| দিন | চামিমাই গোটালে | মণিয়ে গোটালে | বলেনে গোটালে |
|---|---|---|---|
| ১ম দিন | ১৬ | ৩২ | ৪১ |
| ২য় দিন | ১২ | ১৬ | ২১ |
| ৩য় দিন | ২০ | ২৯ | ৩০ |
| ৪র্থ দিন | ৩৬ | ০ | ৪২ |

এতিয়া চাওঁ আহা চাৰি দিনত কোনে কিমান তামোল গোটালে-

**১ম দিনত মণি আৰু চামিমাই মুঠতে কিমান তামোল গোটালে?**

| | | | |
|---|---|---|---|
| চামিমাই | ১ | ৬ | টা |
| মণিয়ে + | ৩ | ২ | টা |
| মুঠ গোটালে | ৪ | ৮ | টা |

**৩য় দিনত চামিমা আৰু বলেনে কিমান তামোল গোটালে?**

| | | |
|---|---|---|
| চামিমাই | | |
| বলেনে + | | |
| মুঠ গোটালে | | |

**২য় দিনত মণি আৰু বলেনে কিমান তামোল গোটালে?**

| | |
|---|---|
| | |
| | |
| | |


**৪র্থ দিনত মণি, চামিমা আৰু বলেনে মুঠতে কিমান তামোল গোটালে?**

| | |
|---|---|
| | |
| | |
| | |
| | |

মণি, মধু আৰু মাকে বজাৰ কৰি ঘৰলৈ আহোঁতে চাহৰ দোকান এখনত চাহ-মিঠাই খালে। সিহঁতৰ খোৱাৰ বাবদ কিমান খৰচ হ'ল চাওঁ আহাচোন।

তলৰ তালিকাত খোৱা বস্তুবোৰৰ দাম দিয়া হ'ল। তেওঁলোকে নিজৰ ৰুচি অনুসৰি খোৱা বস্তুবোৰৰ দাম উলিওৱা

| খোৱা বস্তু | টকা |
|---|---|
| নিম্‌কি | ১০ |
| ৰসগোল্লা | ১৫ |
| জিলাপী | ৮ |
| চাহ | ৫ |



কি কি খোৱাবস্তুৰ বাবদ কিমান টকা খৰচ হ'ল-

**মণিয়ে খালে—**
নিম্‌কি আৰু ৰসগোল্লা

| | | | |
|---|---|---|---|
| নিম্‌কি | | | টকা |
| ৰসগোল্লা | | | টকা |
| মুঠ | | | টকা |

**মধুৱে খালে—**
জিলাপী আৰু নিম্‌কি

| | | | |
|---|---|---|---|
| জিলাপী | | | টকা |
| নিম্‌কি | | | টকা |
| মুঠ | | | টকা |

**মাকে খালে—**
ৰসগোল্লা আৰু জিলাপী

| | | | |
|---|---|---|---|
| ৰসগোল্লা | | | টকা |
| জিলাপী | | | টকা |
| মুঠ | | | টকা |

**গতিকে তেওঁলোকৰ খোৱাৰ বাবদ মুঠ খৰচ হ'ল—**

| | | | |
|---|---|---|---|
| মণি | | | টকা |
| মধু | | | টকা |
| মাক | | | টকা |
| মুঠ | | | টকা |

সমাধান কৰা-

- এদিন এখন বিলত দুজাক শৰালি হাঁহ উৰি আহি পৰিল। এটা জাকত আছিল ৩৫টা হাঁহ আৰু আনটো জাকত আছিল ৪০টা। মুঠতে কিমানটা শৰালি হাঁহ বিলত পৰিল?



---

- এটা মৌ-পিয়া চৰায়ে এদিনত ২৩ পাহ ফুলৰ পৰা মৌ চুহিলে। দ্বিতীয় দিনাখন ৩০ পাহ ফুলৰ পৰা চুহিলে। মুঠতে মৌ-পিয়াটোৱে দুদিনত কেইপাহ ফুলৰ পৰা মৌ চুহিলে?



---

- এখন তামোলবাৰীত তামোলৰ গছত টোকোৰা চৰাইৰ ৩৫টা বাহ আছিল। ধুমুহাত ২৫টা বাহ ভাগিল। এতিয়া টোকোৰা চৰাইৰ বাহ নভগাকৈ কিমানটা থাকিল?



- ৰংহাং খুৰাদেউৰ পদূলিমুখত দুজোপা জবা ফুলৰ গছ আছিল। এজোপাত ২৩ পাহ আৰু আন জোপাত ৪৬ পাহ ফুল ফুলি আছিল। গছ দুজোপাত মুঠতে কেইপাহ ফুল ফুলি আছিল?



---

**ভালদৰে পঢ়া আৰু সমাধান কৰা-**

| | |
|---|---|
| এখন থালত ১৪টা লাড়ু আছিল। তাৰে ৪টা অকণে খালে। থালত কেইটা লাড়ু থাকিল? | ______ টা লাড়ু |
| তোমাৰ হাতত ১২টা বগৰী আছে। ভণ্টিয়ে আৰু ৬টা বগৰী দিলে। এতিয়া তোমাৰ হাতত মুঠতে কেইটা বগৰী আছে? | ______ টা বগৰী |
| এখন ফলি আৰু এডাল পেঞ্চিলৰ দাম ১৫টকা। ফলিখনৰ দাম ১৪ টকা হ'লে পেঞ্চিলডালৰ দাম কিমান? | ______ টকা |
| জংকীৰ জালত ২১টা পুঠি আৰু ২৭টা খলিহনা মাছ উঠিল। জংকীয়ে মুঠতে কেইটা মাছ পালে? | ______ টা মাছ |

**ভালদৰে পঢ়া আৰু সমাধান কৰা-**

ৰাতিপুৱা মণিহঁতৰ চোতালত ১২টা পাৰ চৰায়ে ধান খাই আছিল। তালৈ আৰু ৭টা পাৰ চৰাই আহি ধান খাবলৈ চোতালত পৰিল। চোতালত মুঠতে কেইটা পাৰ চৰাই আছে?

_____ টা পাৰ চৰাই

হাংমাৰ দেউতাকে ফুলনিত জেওৰা দিবলৈ ২৫ ডাল বাঁহ আনিছিল। তাৰে ২১ ডাল বাঁহ কামত লাগিল। কিমানডাল বাঁহ ৰৈ গ'ল?

_____ ডাল বাঁহ

চামেলিয়ে ৫০টা পনিয়ল হাটত বেচিবলৈ লৈ গ'ল। তাৰে ৪০টা পনিয়ল বেচিলে। তাইৰ হাতত কেইটা পনিয়ল ৰৈ গ'ল?

_____ টা পনিয়ল

মুন আৰু ৰুণীয়ে শেৱালি ফুল বুটলিবলৈ গ'ল। মুনে বুটলিলে ৩২ পাহ আৰু ৰুণীয়ে বুটলিলে ৩৭ পাহ। দুজনীয়ে মিলি কিমান পাহ ফুল বুটলিলে?

_____ পাহ ফুল

চালেমাই ২৫ টা আৰু অনিমাই ৩৩ টা তেঁতেলীৰ গুটি গোটালে। দুয়োজনীয়ে মিলি মুঠতে কেইটা গুটি গোটালে?

_____ টা গুটি

*শিক্ষকলৈ নিৰ্দেশনা ঃ ছাত্ৰ-ছাত্ৰীক প্ৰশ্নবোৰ বুজাব আৰু উত্তৰ উলিওৱাত সহায় কৰিব।*

